# সমকালীন পূৰ্বভাৰতীয় উপন্যাসৰ ধাৰা

যোৱা ২০, ২১ এপ্ৰিল ২০১৩ত ওড়িশাৰ জাজপুৰ জিলাৰ বিদ্যাসাগৰ অট'নমাছ কলেজৰ ওড়িআ বিভাগে 'সমকালীন পূৰ্ব ভাৰতীয় উপন্যাসৰ ধাৰা' শীৰ্ষক এখনি ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰ আয়োজন কৰিছিল। অসমৰ পৰা আমি এই আলোচনা চক্ৰলৈ আমন্ত্ৰিত হৈছিলোঁ। এই আলোচনা চক্ৰৰ গৱেষণা পত্ৰ পাঠ কৰিছিল ড° অমল পাল, ড° সংগীতা শইকীয়া, ড° সত্যপ্ৰিয় মাহালিক, শ্ৰীসৌৰভ দাস, ড কামালুদ্দিন আহমেদ, শ্ৰীবনমালী মিশ্ৰ, শ্ৰীদিলীপ ৰাউত, আৰু ড° প্ৰজ্ঞা পাৰমিতা দাসে। তৰুণতৰ গৱেষকসকলৰ বাবেও এটা বৈঠকৰ আয়োজন কৰিছিল, তাত গৱেষণা-পত্ৰ পাঠ কৰিছিল শ্ৰীবসন্ত সাহু, শ্ৰীমিথুন চন্দ্ৰ দে আৰু শ্ৰীঅনুপ ৰঞ্জন নাথে। তিনিটা অধিবেশনৰ সঞ্চালক আছিল ক্ৰমে অধ্যাপক গিৰিবালা মহান্তি, ড° অমল পাল আৰু শ্ৰীবনমালী নায়ক। আলোচনা চক্ৰৰ মাধ্যম ইংৰাজী ভাষা আছিল যদিও ওড়িআ ভাষাতো গৱেষণা-পত্ৰ পাঠ কৰিছিল কেইগৰাকীমান আলোচকে। আমাৰ এই প্ৰবন্ধত গুৰুত্বপূৰ্ণ গৱেষণা-পত্ৰ কেইখনমানৰ আলোকপাতৰ জৰিয়তে পূৰ্বভাৰতীয় উপন্যাসৰ বিশেষকৈ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ উপন্যাসৰ এটি ৰূপৰেখা আঁকি উলিয়াবলৈ প্ৰয়াস কৰাহৈছে।

মূল বক্তৃতা প্ৰদান কৰে প্ৰখ্যাত ওড়িআ সাহিত্য সমালোচক, ঔপন্যাসিক, বিশ্বভাৰতী, শান্তি নিকেটনৰ ওড়িআ বিভাগৰ অধ্যাপক কৈলাস পাটনায়কে। ফকীৰ মোহন সেনাপতি, 'পৰজা', 'অমৃতৰ সন্তান' আদি অবিস্মৰণীয় উপন্যাসৰ স্ৰষ্টা গোপীনাথ মহান্তি, সামাজিক সজাগতাৰে সমৃদ্ধ উপন্যাসৰ স্ৰষ্টা কালহু চৰণ, anti-novel form কঢ়িয়াই অনা সচ্চিদানন্দ ৰাউত ৰায়, জগন্নাথ প্ৰসাদ দাসৰ হাতত ওড়িআ উপন্যাসে বিশেষভাৱে সমৃদ্ধি লাভ কৰিছিল। নতুন প্ৰজন্মৰ লেখকসকলৰ ভিতৰত ভীমপুষ্টি, সত্যপ্ৰিয় মাহালিক, আদিতেশ্বৰ মিশ্ৰ আদি উল্লেখযোগ্য (কুশল দত্তই লোৱা অধ্যাপক পাটনায়কৰ সাক্ষাৎকাৰৰ ভিত্তিত, দৈনিক অসমত প্ৰকাশিত)। অধ্যাপক পাটনায়কে তওঁৰ বক্তৃতাত পূৱ ভাৰতীয় ভাষাসমূহৰ উপন্যাসৰ সমসাময়িক ধাৰাবোৰৰ এটি লনামূলক আলোচনা আগবঢ়ায়। অসমীয়া উপন্যাসৰ সূচনা-পৰ্বৰ প্ৰশংসা কৰি তেওঁ

বিন্দু যদিও শংকৰদেৱৰ লগত জড়িত ঘটনা-প্ৰবাহে ভৱিষ্যতে গঢ় ল'বলৈ যোৱা ঐক্যবদ্ধ অসমৰ কল্পলোক কিদৰে মূৰ্ত কৰিছে গৱেষণা পত্ৰখনত সেয়া উদ্ভাসিত কৰিছে। উপন্যাসখনৰ আৰম্ভণিতে এই কথাৰ অৱতাৰণা কৰা হৈছে যে শংকৰদেৱৰ পূৰ্বসূৰীসকলৰ অসমলৈ আগমন ঘটিছে আৰু অসমীয়া মন এটা গঢ় দিয়াত তেওঁলোকে তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। গৌড়ৰ ৰজা ধৰ্ম নাৰায়ণে কমতাপুৰৰ ৰজা দুৰ্লভ নাৰায়ণক সাতঘৰ ব্ৰাহ্মণ আৰু সাতঘৰ কায়স্থ প্ৰদান কৰিছিল। ঔপন্যাসিক লক্ষ্মীনন্দন বৰাই শংকৰদেৱৰ পূৰ্বপুৰুষসকলত আৰোপ কৰিছে পাণ্ডিত্যৰ গুণ।

১৫ শতিকাৰপৰা ১৭ শতিকাৰ অসমৰ সাংস্কৃতিক বিশ্বকোষ বুলি অভিহিত কৰিব পৰা গুৰু চৰিত কথাৰ আলমত শংকৰদেৱৰ চৰিত্ৰ অংকন কৰিছে ঔপন্যাসিকে। ঐক্যবদ্ধ অসমৰ ছবি মূৰ্ত কৰিছে এনেবোৰ প্ৰসংগ অৱতাৰণাৰে ঃ অইন ৰাজ্যৰ তুলনাত ভূঞা ৰাজ্যৰ অৱস্থা আছিল উন্নত। তাৰ কাৰণ আছিল তাঁতী, কৈবৰ্ত আদি সম্প্ৰদায়ৰ কঠোৰ পৰিশ্ৰম। (বৰা ১৬)

অইন ৰাজ্যৰ তুলনাত ভূঞা ৰাজ্যৰ অৱস্থা আছিল উন্নত। তাৰ কাৰণ আছিল তাঁতী, কৈবৰ্ত আদি সম্প্ৰদায়ৰ কঠোৰ পৰিশ্ৰম। (বৰা ১৬)।

অসমত সংস্কৃত চৰ্চা প্ৰৱহমান হৈ আছে চণ্ডীবৰৰ পৰা বাৰভূঞাৰ দিনলৈকে। ব্ৰাহ্মণ আৰু শুদ্ৰৰ মাজত কেতিয়াও বিভাজন হোৱা নাছিল। ঐক্যবদ্ধতাৰ তেওঁলোকে যুঁজ দিছিল যৱন (মুছলমান)ৰ বিৰুদ্ধে। এই সাতঘৰ ব্ৰাহ্মণ আৰু সাতঘৰ কায়স্থ পৰিয়ালে আজিলৈকে মৈত্ৰীভাৱে বাস কৰি আছে। (পৃ. ৪৪)

উনৈশ বছৰীয়া তৰুণ শংকৰে অনুধাৱন কৰিছিল যে ভালেমান কাম তেওঁ কৰিবলৈ আছে। 'উত্তৰ-পূৱ ভাৰত'ত বিভিন্ন জনগোষ্ঠী আৰু সম্প্ৰদায়ৰ লোক বাস কৰি আছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনসাধাৰণ বিভিন্ন ৰণ আৰু সেনাপতিৰ দ্বাৰা শাসিত যদিও তেওঁলোক মূলতঃ একে। এই মানুহখিনিক একগোট কৰিব লাগিব।

এখন সৰু ৰাষ্ট্ৰৰ শাসক হোৱাতকৈ 'উত্তৰ-পূৱ ভাৰত'ৰ এগৰাকী সাংস্কৃতিক ৰজা হোৱাৰ বাঞ্চা কৰিছিল শংকৰদেৱে। ৰাষ্ট্ৰ আৰু আইন ক্ষণস্থায়ী, কিন্তু সংস্কৃতি আৰু সাংস্কৃতিক নেতৃত্ব স্থায়ী। (পৃ ৯১) ড° মহেশ্বৰ নেওগৰ মতে ইটো কল্পনা কৰাটো কঠিন যে শংকৰদেৱৰ প্ৰভাৱ মধ্যযুগীয় অসমৰ সাংস্কৃতিক নৱজাগৰণৰ ক্ষেত্ৰত কিমান গভীৰ আৰু ব্যাপক আছিল। শংকৰদেৱৰ সময়ৰ অসম বিভিন্ন ধৰ্মীয় আদৰ্শ আৰু ৰাজনৈতিক অস্থিৰতাৰে ভাৰাক্ৰান্ত আছিল। শংকৰদেৱৰ প্ৰচাৰিত ধৰ্মই তেওঁলোকলৈ কঢ়িয়াই আনিছিল আধ্যাত্মিক শান্তি। উপহাৰ দিছিল পৰিপাটি জীৱন ধাৰা।

কয় যে বাংলা আৰু ওড়িআ উপন্যাসৰ ইতিহাস আৰম্ভ হৈছিল ঐতিহাসিক উপন্যাসেৰে, আনহাতে পদ্মনাথ গোহাঞিবৰুৱাই সামাজিক প্ৰেক্ষাপটেৰে উপন্যাস ৰচনা কৰি অসমীয়া উপন্যাসৰ ইতিহাসৰ শুভাৰম্ভ ঘটাইছিল। চাৰিটা উমৈহতীয়া ক্ষেত্ৰৰ জৰিয়তে এই তিনিটা ভাষাৰ ঔপন্যাসিকসকলে নতুন নতুন অৰ্থৰ অনুধাৱন কৰিছে বুলি অধ্যাপক কৈলাস পাটনায়কে অভিমত প্ৰকাশ কৰে ঃ

১। **পৌৰাণিক আৰু ঐতিহাসিক ঘটনাৰ পুনৰ্নিৰ্মাণ** এই ধাৰাৰ উপন্যাস হিচাপে তেওঁ চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'মহাৰথী' আৰু জুৰি বৰগোহাইৰ নাংফা (২০১২)ৰ কথা উল্লেখ কৰিছে।

২। **বিশেষ ঐতিহাসিক সময়ৰ ৰূপায়ণ** এইখিনিতে পাটনায়কে উল্লেখ কৰিছে যে যোৱা তিনিটা দশকত বংগ, ওড়িশা আৰু অসমত কেইবাটাও গুৰুত্বপূৰ্ণ আন্দোলন সংঘটিত হৈছে। যোৱা শতিকাৰ সত্তৰ দশকত বংগত সংঘটিত হৈছিল নক্সাল আন্দোলন, অসমত যোৱা শতিকাৰ আশীৰ দশকত সংঘটিত হৈছিল, 'অস্তিত্ব ৰক্ষাৰ আন্দোলন', 'তেনেদৰে নবৈৰ দশকত কেন্দ্ৰীয় চৰকাৰ ক্ষেপণাস্ত্ৰ পৰীক্ষা অঞ্চল পতাৰ সিদ্ধান্তৰ বিপৰীতে ওড়িশাত সংঘটিত হৈছল ক্ষেপণাস্ত্ৰ বিৰোধী আন্দোলন।

৩। **উনবিংশ শতিকাক এটি চৰিত্ৰ হিচাপে অংকন** তাৎপৰ্যপূৰ্ণ কথাটো এয়ে যে, তিনিওটা ভাষাৰ উপন্যাসৰ ই এটি উমৈহতীয়া উপাদান।

৪। **প্ৰসিদ্ধ ব্যক্তিৰ চিত্ৰণ।**

অসমীয়া উপন্যাসৰ ক্ষেত্ৰত চৈয়দ আব্দুল মালিক, ড° লক্ষ্মী নন্দন বৰা, বাংলাত সুনীল গঙ্গোপাধ্যায়, ৰঞ্জন বন্দোপাধ্যায়, বাণী বসু আৰু ৰূপক সাহা, ওড়িআ ভাষাত প্ৰতিভা ৰয়।

বিভিন্ন সাংস্কৃতিক উপাদান উপন্যাসসমূহত মিহলি হৈ থকা প্ৰসংগত অধ্যাপক পাটনায়কে মামণি ৰয়ছম গোস্বামীৰ 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' আৰু পূৰবী বৰমুদৈৰ 'গজৰাজ', প্ৰেম আৰু বন্দীত্বৰ কথা উল্লেখ কৰিছে। ইয়াত হাতী কেন্দ্ৰীয়ভাৱে আহিছে। কিন্তু বাংলা আৰু ওড়িআ উপন্যাসত হাতীক সাংস্কৃতিক উপাদান হিচাপে চিত্ৰিত কৰা নাই। তেনেদৰে ওড়িআ উপন্যাসত প্ৰভু জগন্নাথ এটি বিশিষ্ট সাংস্কৃতিক উপকৰণ, অসমীয়া আৰু বাংলা উপন্যাসত জগন্নাথৰ তেনেদৰে উল্লেখ নাই।

এম কামালুদ্দিন আহমেদে, 'Jakeri Nahike Upama by Lakshmi Nandan Bora : The Possibilities of a Unified and Modern Assam' শীৰ্ষক গৱেষণা পত্ৰ পাঠ কৰে। অসমৰ বৈষ্ণৱ নৱজাগৰণৰ হোতা শংকৰদেৱৰ চৰিত্ৰই আকৰ্ষণৰ কেন্দ্ৰ

বংকিম চন্দ্ৰৰ দ্বাৰা পোনপটীয়াকৈ প্ৰভাবিত হৈ তেওঁলোকে ভালেমান উপন্যাস ৰচনা কৰিছিল। বংগ আৰু ভাৰতবৰ্ষৰ বিভিন্ন প্ৰখ্যাত ঐতিহাসিক চৰিত্ৰ আৰু সমল উপন্যাসৰ বাবে বাছি লৈছিল। এইখিনিতে বাংলা ঐতিহাসিক ঔপন্যাসিক কেইগৰাকীমানৰ নাম উল্লেখ কৰিব পাৰি ঃ ৰামচন্দ্ৰ দত্ত, স্বৰ্ণকুমাৰী দেৱী, চণ্ডীচৰণ সেন, ৰবীন্দ্ৰনাথ ঠাকুৰ, শ্ৰীচন্দ্ৰ মজুমদাৰ, হৰপ্ৰসাদ শাস্ত্ৰী, সতীশ চন্দ্ৰ চট্টোপাধ্যায়, হৰিসাধন মুখাৰ্জী, শৰৎ কুমাৰ ৰয়, দুৰ্গাদাস লাহিৰী, ৰাখাল দাস বেনাৰ্জী, তাৰা শংকৰ বন্দোপাধ্যায়, বিভূতিভূষণ বন্দোপাধ্যায়, প্ৰমথনাথ বিশী, শৰদিন্দু বন্দোপধ্যায়, গজেন্দ্ৰ কুমাৰ মিত্ৰ, নাৰায়ণ গঙ্গোপাধ্যায়। এই প্ৰখ্যাত লেখকসকলে উপন্যাসৰ বিষয়বস্তু লৈছিল বৌদ্ধ যুগ, মোগল যুগ, ৰাজস্থানৰ ইতিহাস, প্ৰাচীন আৰু মধ্যযুগীয় বংগ, দক্ষিণ ভাৰতীয় ইতিহাস, উনৈশ শতিকাৰ বংগদেশ ইত্যাদিৰপৰা।

প্ৰথম পৰ্যায়ৰ বাংলা উপন্যাসত ৰজা, মহাৰজা, ৰাজ্য, যুদ্ধ, ইতিহাসৰ বিখ্যাত ঘটনা আৰু বিখ্যাত ব্যক্তিৰ কথা ৰূপায়িত হৈছিল। সাধাৰণ মানুহ আৰু তেওঁলোকৰ জীৱন অৱহেলিত হৈ আছিল। ঐতিহাসিক উপন্যাস বুলিয়েই নহয় সাধাৰণ মানুহৰ ইতিহাস বংগৰইতিহাসবিদৰ হাতত উদ্ভাসিত হৈ উঠা নাছিল। নিহাৰৰঞ্জন ৰায়ে 'বাঙালীৰ ইতিহাস' লিখিছিল ১৯৪৯ চনত। এই গ্ৰন্থত তেওঁ বাঙালী মানুহৰ সাধাৰণ জীৱনৰ স্বচ্ছ ছবি অংকন কৰিছিল। প্ৰায় সেইখিনি সময়তে বিভূতিভূষণ বন্দোপাধ্যায়ে তেওঁৰ উপন্যাস 'ইছামতী'ত উনৈশ শতিকাৰ গ্ৰাম্য বংগৰ প্ৰেক্ষাপটত বাঙালী সাধাৰণ মানুহৰ জীৱন চৰ্যা ৰূপায়িত কৰিছে।

বিভূতিভূষণৰ পিছত শৰদিন্দু বন্দোপাধ্যায়য়ে সাধাৰণ মানুহৰ জীৱন চৰ্যা অংকিত কৰিছে। শৰদিন্দু বন্দোপাধ্যায়ে স্বীকাৰ কৰিছে যে নীহাৰৰঞ্জন ৰয়ৰ গ্ৰন্থত পঢ়ি তেওঁ এনেদৰে অভিভূত হৈছিল যে তাৰ প্ৰেৰণাতে তেৰেঁ বিখ্যাত উপন্যাস গৌৰমল্লাৰ ৰচিত হৈছিল।

বংগৰ তৰুণ লেখকসকলে শৰদিন্দুৰ ঐতিহাসিক উপন্যাস আদৰ্শ হিচাপে বাছি লৈছিল। সফল ঐতিহাসিক উপন্যাস এখন লিখিবলৈ হ'লে সাধাৰণ মানুহৰ জীৱন ফুটাই তুলিবই লাগিব। বিভূতিভূষণ আৰু শৰদিন্দুই দেখুওৱা পথেৰেই সুনীল গঙ্গোপাধ্যায়, শ্যামল গঙ্গোপাধ্যায়, বাণী বসু, সমৰেশ মজুমদাৰ, সুব্ৰত মুখোপাধ্যায়, কিন্নৰ ৰয় আৰু শৈবাল মিত্ৰৰ দৰে শক্তিশালী লেখকে আত্মপ্ৰকাশ কৰিছিল। গৱেষক ড° পালে বাণী বসুৰ 'মৈত্ৰেয়ী জাতক' শ্ৰেষ্ঠ বাংলা ঐতিহাসিক উপন্যাস সমূহৰ অন্যতম বুলি অভিহিত কৰিছে। বৃদ্ধ ইয়াত তেজ-মঙহৰ মানুহ।

যাকেৰি নাহিকে উপাম'ৰ পাঠ ২০১০ চনৰ (জ্যোতিপ্ৰকাশনৰ) কৃতজ্ঞতা ঃ ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপক কৈলাস চন্দ্ৰ পাটনায়ক, ড° অমল পাল, কুশল দত্ত।

সংগীতা শইকীয়াই তেওঁৰ গৱেষণা-পত্ৰ The Trends in Contemporary Assamese Novel (from 1980 to 2012) ত যাত্ৰিকৰ যাত্ৰাৰ পৰা অসমীয়া উপন্যাসৰ ৰূপৰেখা আঁকিছে। শইকীয়াই অভিমত আগবঢ়াইছে যে যোৱা শতিকাৰ যাঠিৰ দশকৰ পৰা অসমীয়া উপন্যাসত ইতিহাস, ৰাজনৈতিক আন্দোলন, মিথ, লোক-উপাদান, সংস্কৃতি আদি বিষয়ৰ পুনসৃষ্টি আৰু পুনৰ্গঠন হৈছে। বেছিভাগ উপন্যাস ছপা হৈছিল পছোৱা (১৯৪৮-৪৯), ৰামধেনু (১৯৫১) আমাৰ প্ৰতিনিধি, মণিদীপ আৰু প্ৰকাশত। শেহতীয়া উল্লেখযোগ্য উপন্যাস হিচাপে মণিকুন্তলা ভট্টাচাৰ্যৰ বৰদোৱানী (২০০৬), দীপক কুমাৰ বৰকাকতীৰ উপত্যকাৰ পৰা উপত্যকালৈ, উন্মীলিত উপবন, ধ্ৰুবজ্যোতি বৰাৰ কথাৰত্নাকৰ (২০০৭) আৰু মৃদুল শৰ্মাৰ তেজীমলাৰ মাকৰ সাধুৰ কথা উল্লেখ কৰিছে।

গৱেষকগৰাকীয়ে এই সময়ছোৱাৰ উপন্যাস প্ৰকৃতিবাদ, আধুনিকতাবাদ, উত্তৰ-আধুনিকতাবাদ, চেতনাস্ৰোত, নাৰীবাদ, জীৱনীমূলক, কল্পবিজ্ঞান, আঞ্চলিক উপন্যাস, কাব্যিক উপন্যাস আদি ভাগত বিভক্ত কৰিছে।

ড° অমল পালে, বাংলা, ঐতিহাসিক উপন্যাস ঃ সমসাময়িক ধাৰা' (Historical Novel in Bengali : Contemporary Trends) আধুনিকতা, চেতনাস্ৰোত, নাৰীবাদ, শীৰ্ষক গৱেষণা-পত্ৰ পাঠ কৰে। বাংলা সাহিত্যত ঐতিহাসিক উপন্যাসৰ সূচনা কৰে ভূদেৱ মুখোপাধ্যায় (১৮২৫-১৮৯৪) -এ। ১৮৬২ চনত তেওঁ ৰচনা কৰা গ্ৰন্থখনৰ নাম আছিল 'ঐতিহাসিক উপন্যাস'। ইয়াত দুটা কাহিনী আছে 'সফল স্বপ্ন' আৰু 'অঙ্গুৰীয় বিনিময়'। দুয়োটা কাহিনীৰ বিষয়বস্তু আহিছে জে. এইছ কাউন্টাৰৰ Romance of History ৰ পৰা। 'সফল স্বপ্ন' আৰু 'অঙ্গুৰীয় বিনিময়' উচ্চ পৰ্যায়ৰ ঐতিহাসিক উপন্যাস নহয়। কিন্তু বাংলা সাহিত্যত, বিশেষকৈ বাংলা ঐতিহাসিক উপন্যাসৰ ক্ষেত্ৰত ইয়াৰ কাহিনী দুটাৰ গুৰুত্ব আছে। বুৰঞ্জীৰ সমল আৰু পটভূমি প্ৰথম বাৰৰ বাবে সফলভাৱে প্ৰয়োগ কৰে বংকিম চন্দ্ৰ চট্টোপাধ্যায়ে। সুকুমাৰ সেনৰ মতে মুখোপাধ্যায়ৰ কাহিনীয়ে বঙ্কিম চন্দ্ৰ চট্টোপাধ্যায়ৰ পূৰ্ণাঙ্গ বাংলা ঐতিহাসিক উপন্যাস 'দুৰ্গেশনন্দিনী'ৰ কাহিনীগত সমল যোগাইছিল। (History of Bengali Literature) বংকিমচন্দ্ৰই ঐতিহাসিক উপাদান গ্ৰহণ কৰিছিল আৰু উপন্যাসত ইতিহাসৰ আৱহ ৰচনা কৰিছিল। কিন্তু বংকিমচন্দ্ৰৰ ৭ খন উপন্যাস ঐতিহাসিক উপন্যাস বুলি ধৰা নহয়, কেৱল 'ৰাজসিংহ'হে ঐতিহাসিক বুলি ধৰা হয়। তেওঁৰ সমসাময়িক আৰু পৰৱৰ্তী ঔপন্যাসিকৰ বাবে বংকিম চন্দ্ৰ আদৰ্শ ঔপন্যাসিক। কনিষ্ঠ লেখসকল তেওঁৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল।

'লোকাৰী'ৰ বিষয়বস্তু যেনেকৈ ৰমন্যাসিক, 'জামিনেল'ৰ বিষয়বস্তু তেনেকৈ সামাজিক।

শিল্পতত্ত্বৰ ৰাজ্যত নানা বাদ-তত্ত্বাদৰ্শৰ উৎসভূমি ফ্ৰান্সৰ উপন্যাসবোৰতেই নহয়, আনকি আমাৰ অসমীয়া উপন্যাসবোৰৰ ক্ষেত্ৰতো এই একেখিনি কথাই প্ৰযোজ্য। হোমেন বৰগোহাঞিৰ 'সুবালা' আৰু বসন্ত দাসৰ 'জংছন'—দুয়োখনেই বাস্তৱবাদী উপন্যাস, জীৱনৰ বাওঁফালে থকা পংকিল নয়ানজুলিৰ দৃশ্যপট আৰু ঘটনাৰে ভৰপূৰ। অথচ, এখন মনস্তাত্ত্বিক বাস্তৱবাদী উপন্যাস; আনখন সমাজ-তাত্ত্বিক বাস্তৱবাদী উপন্যাস। এখনত আছে, ভিতৰৰ খবৰ; আনখনত আছে, ভিৰৰ খবৰ—বাহিৰৰ খবৰ! আকৌ, শৰৎচন্দ্ৰ গোস্বামীৰ 'পানিপথ' আৰু পদ্ম বৰকটকীৰ 'কোনো খেদ নাই'—দুয়োখনেই উপকৰণ দৃষ্টিত একে ঐতিহাসিক উপন্যাস। অথচ, এখন কল্পনাৰ সোণপানী চৰোৱা সঁচা ইতিহাসৰ মানুহ আৰু ঘটনাৰে ভৰপূৰ; আনখন ইতিহাসৰ ফাকুগুৰি সনা ৰঙীন কল্পনাৰ সৃষ্টি—যেন চিনাকি মানুহৰ অচিনাকি কাহিনী। একে আষাৰে ক'বলৈ হ'লে, এখন ঐতিহাসিক উপন্যাস; আনখন ৰমন্যাসিক উপন্যাস।

উপন্যাসৰ প্ৰচলিত-অপ্ৰচলিত সকলোবোৰ ৰূপৰ আলোচনা কৰিবলৈ হ'লে এখন সুকীয়া কিতাপ হয়গৈ। গতিকে আমি মাথোন সাম্প্ৰতিক কালত থাই থুঁতি হৈ পৰা কেইটিমান উপন্যাসৰূপৰহে আলোচনা কৰিছোঁ।

## ক. চেতনা-প্ৰবাহ

এইটো ধাৰাৰ প্ৰধান প্ৰৱৰ্তক হ'ল, জে'মছ জয়েছ আৰু ভাৰ্জিনিয়া উল্ফ। ইয়াৰে থুনুকথানাক মাতটো ফুটি উঠিছিল, ফৰাচী ঔপন্যাসিক মাৰ্চেল প্ৰুস্তৰ 'ইন চাৰ্ছ অব দ্য লষ্ট টাইম' শিৰোনামাৰ উপন্যাসখনত। এইখন উপন্যাসত স্মৃতিকথা, দিনপঞ্জী আৰু দাৰ্শনিক চিন্তাৰ অনন্যসাধাৰণ সমাবেশ ঘটিছে। ইয়াৰে খেও ধৰি বাকী দুজন ইংৰাজ ঔপন্যাসিকে এটা নতুন ধাৰাৰ জন্ম দিলে, যাৰ প্ৰভাৱ পৃথিৱীৰ সকলো দেশৰ উপন্যাস-সাহিত্যতে পৰিছে। তাৰ চিটিকনি অসমীয়া উপন্যাসতো নপৰাকৈ থকা নাই। বহুতো সমালোচকে এই সন্দৰ্ভত দুখন উপন্যাসৰ নাম লয়—চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'এদিন' আৰু বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ

বাঢ়ি আহিছে। এফালৰ পৰা চালে, ই অন্তৰ্লীন একালাপ আৰু বৰ্ণনাৰ সংমিশ্ৰণ। আনফালৰ পৰা চালে, ইয়াত বোলছবি জগতৰ কিছুমান আংগিকৰ প্ৰতিফলন ঘটিছে। বোলছবিত ব্যৱহৃত আৰু বহুপৰিচিত সেইবোৰ কলাকৌশল—দ্ৰৱণ,[২৬] পশ্চাদ্দৰ্শীপাত,[২৭] দৃশ্যগাঁথন,[২৮] ইত্যাদিৰ সহযোগত কাহিনী উপস্থাপনৰ চলন বাঢ়ি আহিছে। এই বিষয়ত জাপানী ঔপন্যাসিকসকলে আগ ভাগ লৈছে। ওচামু দাজাইৰ 'দ্য চেটিং চান', য়াচুনাৰি কাৱাবাতাৰ 'দ্য লে'ক' আৰু 'দ্য স্নো কাণ্ট্ৰি,' আৰু য়ুকিঅ' মিছিমাৰ 'দ্য ৱে'ভ্‌চ্' ইত্যাদি আৰু আমাৰ সাহিত্যত মেদিনী চৌধুৰীৰ 'তাত নদী নাছিল' এনেকুৱা উপস্থাপন-পদ্ধতিমূলক কেইখনমান উল্লেখযোগ্য বিশিষ্ট উপন্যাস। ইয়াৰ প্ৰত্যেকখনতে দেশ আৰু কালৰ চিৰাচৰিত প্ৰত্যয় ভাঙি চুচুৰ্মে কৰি পেলোৱা হৈছে। বৰ্ণনাও সহৃদয় মনত চাব থৈ যাব পৰাকৈ বিচিত্ৰ ভংগিমাৰে সঞ্চালিত হ'বলৈ লৈছে।

### উপন্যাসৰ ৰূপবৈচিত্ৰ্য ঃ

বিষয়বস্তু, ভাববস্তু আৰু ৰূপবস্তুৰ প্ৰকাৰভেদে উপন্যাসৰ বহু বিভিন্ন ৰূপ। যদি কোৱা হয়, প্ৰায় প্ৰত্যেকখন উপন্যাসেই অকলশৰীয়াকৈয়ে একোটা স্বতন্ত্ৰীয়া শ্ৰেণীৰ অন্তৰ্গত, তেতিয়াও বোধকৰোঁ সত্যৰ পৰা বৰ বেচি দূৰলৈ আঁতৰি যোৱা নহয়। বহুত উপন্যাস ৰচিত হৈছে, যিবোৰক একে সময়তে দুই-তিনিটা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰিব পাৰি। স্তাঁদালৰ 'স্কাৰ্লেট এণ্ড ব্লেক' আৰু বালজাকৰ 'ইউজেনি গ্ৰাঁডে'—দুয়োখনেই বাস্তৱবাদী উপন্যাস। অথচ, দুয়োখনৰে বাস্তৱবাদৰ মাজত দৃষ্টিভংগীৰ গভীৰ প্ৰভেদ বৰ্ত্তমান। সমালোচকে সেইবাবে এখনৰ বাস্তৱবাদৰ নাম থৈছে, মনস্তাত্ত্বিক বাস্তৱবাদ ; আৰু আনখনৰ বাস্তৱবাদৰ নাম থৈছে, সমাজতাত্ত্বিক বাস্তৱবাদ। আকৌ, ফ্লবেয়াৰৰ 'মাডাম বোভাৰী' আৰু জোলাৰ 'জাৰ্মিনেল'—দুয়োখনৰে স্বাদ যদিও একে, আনুপুংখিক তথ্যবস্তুৰ নিখুঁত বিৱৰণেৰে ভৰপূৰ, তথাপি এখন হ'ল, বাস্তৱবাদী উপন্যাস ; আনখন যথাৰ্থবাদী[২৯] উপন্যাস! লগতে এইষাৰ কথাও ক'ব পাৰি, 'মাডাম

---

২৬. dissolve
২৭. flashback
২৮. montage
২৯. naturalistic

'ৰাজপথে বিভিয়ায়'। আচলতে এই দুখন উপন্যাসত চেতনা-প্ৰবাহৰ আভাস এটাহে আছে। দুয়োখনতে মনৰ ভিতৰ থকাতকৈ বাটৰ ভিতৰৰ খবৰ বেচি।

চিৰাচৰিত উপন্যাসত কাহিনী, চৰিত্ৰ, সংলাপ আৰু পটভূমি বৰ্ণনাৰ এটা পূৰঠ সংগঠনৰ প্ৰয়াস পৰিলক্ষিত হয়। চেতনা-প্ৰবাহৰ উপন্যাসত এই চাৰিওটাই বৰ্জিত হৈছে বুলিয়েই ক'ব পাৰি। ঘড়ীৰ কাটাৰে জোখা সময়ৰ আধাৰত ৰচিত কাহিনী-পাৰম্পৰ্য এইবিধ উপন্যাসত পাবলৈ নাই। ব্যক্তিৰ লগত ব্যক্তিৰ বিৰোধৰ চিত্ৰণেৰে ৰূপায়িত চৰিত্ৰাংকনো অপ্ৰতুল। সংলাপৰ পৰিৱৰ্তে ইবোৰ উপন্যাসত ব্যৱহৃত হৈছে অন্তৰ্লীন একালাপ। পটভূমি বুলিবলৈ আছে, চিৰন্তন 'ৰিয়েলিটি'। আপাতদৃষ্টিত, এইবিধ উপন্যাসৰ কতো কোনো সামঞ্জস্যৰ আভাস নাই। কাহিনী বুলিবলৈ আছে, চেতন আৰু অৱচেতন জগতৰ 'যুগপৎ অভিজ্ঞতা'।[৩০] একেজন মানুহেই একেটা সময়ত দুখন জগতৰ অধিবাসী হৈ জীৱনৰ স্বাদ গ্ৰহণ কৰিছে, মনৰ প্ৰতিক্ৰিয়া নিবেদন কৰিছে। নৱতম উপলব্ধিক মনৰ তলিৰ অন্ধকাৰ কোণৰ সঞ্চিত অভিজ্ঞতাৰ লগত ওচৰাওচৰিকৈ থাপি চাইছে। চৰিত্ৰবোৰ গভীৰ অৰ্থবহ ব্যঞ্জনাৰে অভিষিক্ত; সিবিলাকৰ কোনো বুদ্ধিগম্য ৰেখাৰূপ আঁকি উলিয়াব নোৱাৰি। আৰু, অভিব্যক্তি বুলিবলৈ আছে, চেতন মনৰ অৰ্ধস্ফুট উক্তিৰ লগত অৱচেতন মনৰ পৰা পানীৰ তলৰ বুৰবুৰণিৰ দৰে উঠি অহা এমুঠি অসংলগ্ন স্বগতোক্তিৰ সংযোজন। অন্তৰ্লীন একালাপৰ ভাষাও বহু সময়ত অভিধান ব্যাকৰণৰ অতীত।

চেতনা-প্ৰবাহৰ উপন্যাসসমূহৰ আচল প্ৰকৃতিটো বুজিবলৈ হ'লে, কেইখনমান উপন্যাসৰ ওপৰত খৰকৈ চকু ফুৰাই ল'ব লাগিব। এটা কথা ক'ব লাগিব, সমালোচক-পাঠকৰ বাহিৰে মাথোন ৰসভোক্তা-পাঠকৰ ইবিলাকৰ কোনোখনেই আৰম্ভণিৰ পৰা শেষলৈ পঢ়ি চোৱাৰ ধৈৰ্য অতি বিৰল ক্ষেত্ৰতহে থাকে।

জে'মছ জয়েছৰ 'ইউলিছিছ' এক যুগান্তকাৰী কীৰ্তি। উপন্যাসৰ নায়ক লিওপ'ল্ড ব্লুম এজন আইৰিছ ইহুদী। লিওপ'ল্ড জানিবা হোমাৰৰ ওডিছিউছৰ আধুনিক সংস্কৰণ। গ্ৰীক পুৰাণকথাৰ বীৰ ওডিছিউছে ট্ৰয় যুদ্ধ শেষ কৰি উঠি নানা দেশ পৰ্যটন কৰি বিপুল অভিজ্ঞতা লৈ আপোন দেশ ইথাকালৈ উভতি আহিছিল, তেওঁৰ পুত্ৰ টেলিমেকাছ আৰু সতীস্বৰূপা পত্নী পেনিল'পিৰ কাষলৈ।

৩০. simultaneity of experience.

কামটোকে সম্পাদন কৰিছে। তেওঁৰ 'মিচেছ ডেলোৱে' জয়েছৰ 'ইউলিছিছ'ৰ লেখীয়া কাহিনীবিহীন উপন্যাস। অৱশ্যে, এইখন বহির্জগতৰ লগত সম্পূৰ্ণ যোগসূত্ৰহীন উপন্যাস নহয়; সেইবুলি চিৰাচৰিত উপন্যাসৰ দৰে মাথোন বাহিৰৰ জগতৰ কথাৰেও ভৰপূৰ নহয়। জন্মদিনত ফুল কিনিবলৈ ওলোৱা এগৰাকী মহিলাৰ স্মৃতিচাৰণেই উপন্যাসখনৰ প্ৰধান অৱলম্বন। যুগ্মপাতনৰ আংগিক উপন্যাসখনত প্ৰচুৰভাৱে ব্যৱহাৰ কৰা হৈছে।

ভাৰ্জিনিয়া উল্‌ফৰ সৰ্বশ্ৰেষ্ঠ চেতনা-প্ৰবাহ উপন্যাসখন হ'ল, 'দ্য ৱে'ভছ্'। উপন্যাসখনৰ ছ'টা চৰিত্ৰ: তিনিজন ল'ৰা—বাৰ্ণাৰ্ড, নেভিল আৰু লুই; তিনিজনী ছোৱালী—জিনী, চুছান আৰু ৰোডা। সাগৰৰ বুকুত পুৱাৰ পৰা ৰাতিলৈকে সময়ছোৱাৰ পৰিপ্ৰেক্ষিতত ন'টা প্ৰতীকধৰ্মী সংগীতাংশৰ চানেকিৰে উপন্যাসখনৰ কথাবস্তু বান্ধি উলিওৱা হৈছে। ল'ৰা তিনিজন আৰু ছোৱালী তিনিজনীয়ে একেলগে উমলি-জামলি জীৱন আৰম্ভ কৰিছিল, শৈশৱৰ প্ৰথম পুৱা একেখন স্কুলৰ সহপাঠী বন্ধু-বান্ধৱী ৰূপে। তাৰ পাচত, দহ বছৰৰ বিচ্ছিন্ন জীৱনৰ অন্তত আকৌ দেখাদেখি। প্ৰত্যেকৰ মুখত কেৱল অন্তৰ্লীন একালাপ; প্ৰত্যেকৰ মুখৰ কথা ভিন্নমুখী, ভিন্নসুৰী। তাৰ মাজেৰেই চিত্ৰিত হৈছে, জীৱনৰ আশা-নিৰাশা জোৱাৰৰ ঢৌ আৰু ভাটাৰ ওভোতনি-সোঁত। অন্তৰ্লীন একালাপসমূহৰ এটা সামগ্ৰিক ৰূপ আছে—সমুদ্ৰ-তৰংগৰ দৰে সম্প্ৰসাৰণ আৰু সংকোচনৰ ছন্দত বন্ধা সেই ৰূপ। বিঠোফেনৰ 'নৱম তৰংগ'ৰ দৰে এইখন উপন্যাসৰো নৱম তৰংগটোত বাজি উঠিছে, শুভ্ৰ নিখিলৰ সুৰ আৰু এটা মৰম-পৰশা ক্ষীণ উচুপনি। বাৰ্ণাৰ্ডৰ স্বগতোক্তি: "আৰু মোৰ ভিতৰতো ঢৌ উঠিছে। উথহি উঠিছে; তাৰ পিঠিটো ধেনুভিৰীয়া হৈ পৰিছে। আকৌ এটা নতুন আকাংক্ষাৰ উমান পাইছোঁ।...আমাৰ বিৰুদ্ধে আগবাঢ়ি অহা সেই শত্ৰুটো বাৰু কোন? সেইটো মৃত্যু। মৃত্যুৱেই সেই শত্ৰু। মৃত্যুৰ বিৰুদ্ধেই মোৰ ঘোঁৰাটো চলাই দিছোঁ।...মোৰ ঘোঁৰাটোৰ কদমত নতুন তেজ দিছোঁ। হেৰ' মৃত্যু! তোৰ পিনেই আগবাঢ়ি গৈছোঁ মই—অপৰাজিত আৰু অনিৰ্বাপিত মই।" ভাৰ্জিনিয়া উল্‌ফৰ এই উপন্যাসখন 'ইউলিছিছ'ৰ দৰে কাণেৰে শুনি পঢ়িব নালাগে। কিন্তু, আকৌ কোনোৱা এজনে কৈ গৈছে, অন্ততঃ ছ'বাৰ পঢ়িব লাগে; কাৰণ ছ'টা চৰিত্ৰই থমকি থমকি নিজৰ লগত নিজেই কথা পাতিছে!

…নিক ওডিছিউছৰ পৰ্যটন-পৰিক্ৰমা মাথোন ২৪ ঘণ্টাৰ ; পুলিচথান, কবৰখানা, …-বিপণি, প্ৰস্ৰাৱাগাৰ, প্ৰসূতি সদন, কচাইখানা, ৰেস্তোৰাঁ প্ৰভৃতিত প্ৰবেশ …ৰি নানা অভিজ্ঞতাৰ বোজা লৈ উভতি আহিছে গভীৰ নিশা তেওঁৰ ব্যভিচাৰিণী …ী মেৰিয়ান ব্লুমৰ ওচৰলৈ। সমস্ত অভিজ্ঞতা বৰ্ণিত হৈছে, অন্তৰ্লীন একালাপ …ৰু খণ্ডিত ৰূপৰ নাতিদীৰ্ঘ প্ৰত্যক্ষ বচনৰ সংমিশ্ৰণেৰে। অন্তৰ্লীন একালাপৰ …ষাত আছে, অভিধানত বিচাৰি পাবলৈ নোহোৱা বহু শব্দৰ প্ৰয়োগৰ। সেই শব্দবোৰ কেতিয়াবা কেইবাটাও শব্দৰ চূৰ্ণীকৃত সংমিশ্ৰণ আৰু কেতিয়াবা কেইবাটাও …ষাৰ পৰা সংকলিত আৰু পুঞ্জীকৃত। সেইকাৰণেই, কোনোবা এজনে কৈ গৈছে, 'ইউলিছিছ' চকুৰে চাই পঢ়িব নালাগে—পঢ়িব লাগে, কাণেৰে শুনি! আন কোনোবাই স্পষ্টকৈ পঢ়ি গ'লে, পুঞ্জীকৃত প্ৰতিটো শব্দৰ বিশ্লিষ্ট ৰূপবোৰ কাণৰ কুহৰত ধৰিব পৰাকৈ বাজি উঠে—পোৱা যায়, সিবিলাকৰ অপূৰ্ব অৰ্থঘন ব্যঞ্জনা। এইদৰেই জে'মছ জয়েছে এই বিপুলায়তন উপন্যাসখনৰ বিক্ষিপ্ত কথামালাৰ জৰিয়তে প্ৰদান কৰিছে, এটা যুগৰ যন্ত্ৰণানুভূতি। বিকাৰগ্ৰস্ত ব্যক্তিত্বৰ অধিকাৰী লিওপ'ল্ড ব্লুম, তেওঁৰ ব্যভিচাৰিণী পত্নী মেৰিয়ান আৰু চৰিত্ৰহীন পুত্ৰপ্ৰতিম ষ্টেফান ডিডেলাছ—তিনিওটা চৰিত্ৰ ব্যাধিগ্ৰস্ত যুগৰ একোটা দিশৰ বিমূৰ্ত প্ৰতীক। যুগৰ যন্ত্ৰণাজৰ্জৰ ৰূপটো উন্মোচিত হৈছে, সিহঁতৰ অজস্ৰ অন্তৰ্লীন একালাপত।

চেতনা-প্ৰবাহ উপন্যাসৰ মৌল দৃষ্টিভংগীটো ব্যাখ্যা কৰি কেইটামান অতি তাৎপৰ্যপূৰ্ণ কথা কৈছে, ভাৰ্জিনিয়া উল্‌ফে তেওঁৰ 'মডাৰ্ণ ফিক্‌শ্যন' নামৰ এটা বিখ্যাত প্ৰবন্ধত। তেওঁ কৈছে, "জীৱন এক জ্যোতিৰ্ময় মণ্ডলস্বৰূপ, এক অৰ্ধ-স্বচ্ছ আৱৰণ যি আমাক চেতনাৰ আৰম্ভণিৰ পৰা শেষলৈকে ঘেৰি থৈছে।… ঔপন্যাসিকৰ কৰ্তব্য এইটোৱেই নহয় জানো, লাগিলে যিমানেই বিচ্যুতি অথবা জটিলতা প্ৰতিভাত নহওক, এই বিচিত্ৰসঞ্চাৰী, অপৰিজ্ঞাত আৰু অমেয় প্ৰাণ-শক্তিক, যিমানখিনি সম্ভৱ সিমান কম অসম্পৰ্কিত আৰু বহিৰ্ভূতৰ মিশ্ৰণেৰে প্ৰকাশ কৰিব লাগে ?" ৩১ তেওঁৰ নিজৰ উপন্যাসকেইখনত তেওঁ নিজে সেই

৩১. Life is a luminous halo, a semi-transparent envelope surrounding us from the beginning of consciousness to the end...Is it not the task of the novelist to convey this varying, this unknown and uncircumscribed spirit, whatever aberration or complexity it may display, with as little mixture of the alien and external as possible ?

—Modern Fiction

'কেৰেংগাদাও' এনেকুৱা দুখন জীৱনীভিত্তিক উপন্যাস। প্ৰথমখনৰ আধাৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ জীৱন-কাহিনী ; দ্বিতীয়খনৰ আধাৰ বিপ্লৱী-শিল্পী বিষ্ণু ৰাভাৰ জীৱন-কাহিনী। তিলক দাসৰ 'বিষ্ণু ৰাভা', এতিয়া কিমান ৰাতি' জীৱনী-ভিত্তিক উপন্যাসতকৈ উপন্যাসীকৃত জীৱনীহে বেচি ওচৰৰ সাহিত্যকৰ্ম।

যুগভিত্তিক উপন্যাসো ঐতিহাসিক উপন্যাসৰে বিস্তীৰ্ণতৰ ৰূপভেদ। ঐতিহাসিক উপন্যাসত দেশ আৰু কাল ঘটনাৱলীৰ পটভূমিস্বৰূপে ব্যৱহৃত ; সিবিলাকত উপন্যাসখনৰ প্ৰধান আকৰ্ষণ কিছুমান চৰিত্ৰ। যুগভিত্তিক উপন্যাসত দেশ আৰু কাল নিজেই বিষয়বস্তু ; চৰিত্ৰ নহয়, যুগৰ সামগ্ৰিক ৰূপটোহে ইবিলাকৰ প্ৰধান আকৰ্ষণ। চৰিত্ৰৰ বিকাশ-বিৱৰ্তনত যুগৰ অৱস্থান্তৰটোৱেই প্ৰতিফলিত হয়। গলছৱৰ্থিৰ 'ফৰছাইট ছাগা', ইলিয়া এৰেনবুৰ্গৰ 'ফল অব পেৰী' আৰু ছোলোকভৰ 'এণ্ড কোৱায়েট ফ্ল'জ ্ দ ডন' এইবিধ উপন্যাসৰ উৎকৃষ্টতম নিদৰ্শন। গলছৱৰ্থিৰ উপন্যাসখনত ফৰছাইট পৰিয়ালৰ মাধ্যমত তিনিটা প্ৰজন্মৰ গতি-পৰিক্ৰমা চিত্ৰিত হৈছে। ঠিক তেনেদৰে, এৰেনবুৰ্গৰ উপন্যাসখনত নাজী-উত্থানৰ পূৰ্বৰ কালছোৱা পেৰী মহানগৰীৰ বিলাসী জীৱনৰ ঘটনাৱলীৰ মাধ্যমত চিত্ৰিত হৈছে। আৰু, ছোলোকভৰ উপন্যাসখনত অংকিত হৈছে, বিপ্লৱৰ প্ৰতিশ্ৰুতিয়ে লাহে লাহে মচি অনা প্ৰাক-বিপ্লৱ যুগৰ ডন নদীৰ পাৰৰ এখন ধুৱঁলিকুঁৱলী ছবি। মন কৰিব-লগীয়া এষাৰ কথা, সাধাৰণতে কছ উপন্যাসবোৰত অতীত দিনৰ ছবিবোৰ হেৰোৱাৰ বেদনাৰে তিতি থকা বিধৰ নহয়। আনহাতে, বাকীবোৰ দেশৰ সাহিত্যত এইটো ধাৰাৰ উপন্যাসবোৰ অতীত দিনৰ এনেকুৱা একোখন স্মৃতিমেদুৰ ছবিৰে মুখৰিত, যিবোৰত পোৱা যায়—ঘূনাই বিচাৰি নোপোৱাৰ এক ৰহস্যময় বেদনা। আমাৰ সাহিত্যত এইটো ধাৰাৰ দুখন নকস উপন্যাসৰ নাম ক'ব পাৰি : মেদিনী চৌধুৰীৰ 'তাত নদী নাছিল' আৰু লীলা গগৈৰ 'নৈ বৈ যায়'। দুয়োখনতে চিত্ৰিত হৈছে, প্ৰাক-স্বাধীনতা যুগৰ অসমৰ গাওঁ-ভূঁইৰ ওপৰেদি বৈ যোৱা সময়ৰ পচোৱাজাকৰ দুখন অতি স্পন্দনশীল ছবি।

৬

## খ. জীৱনীভিত্তিক আৰু যুগভিত্তিক

পুৰণি ঐতিহাসিক উপন্যাসৰে দুটা নতুন গঁতি : জীৱনীভিত্তিক উপন্যাস আৰু যুগভিত্তিক উপন্যাস। বিষয়বস্তুৰ ফালৰ পৰা চালে, জীৱনীভিত্তিক উপন্যাস ঐতিহাসিক উপন্যাসৰে ক্ষীণ অথচ গভীৰতৰ ৰূপভেদ। সহজকৈ ক'বলৈ হ'লে, ঐতিহাসিক উপন্যাসত বহু চৰিত্ৰৰ সমাৱেশ ঘটে, চৰিত্ৰসমূহৰ পাৰস্পৰিক সম্পৰ্ক কাহিনীৰ প্ৰধান অৱলম্বন আৰু সিবিলাকৰ বিচৰণক্ষেত্ৰ দেশখনৰ ইতিহাসো চৰিত্ৰসমূহৰ কাৰ্যকলাপৰ লগত প্ৰত্যক্ষভাৱে জড়িত। জীৱনীভিত্তিক উপন্যাসৰ আচল বিষয়বস্তু একেটি মাথোন চৰিত্ৰৰ জীৱনত ঘটা ঘটনাৱলী আৰু দেশখনৰ ইতিহাস প্ৰায়-অপ্ৰাসংগিক অথবা কেৱল এক পৃষ্ঠভূমি।

জীৱনীভিত্তিক উপন্যাস আৰু জীৱন-চৰিতৰ মাজত যিটো পাৰ্থক্য, সেই পাৰ্থক্যটো ঐতিহাসিক উপন্যাস আৰু ইতিহাসৰ মাজত থকা পাৰ্থক্যৰ দৰেই। ইতিহাসৰ ঘটনাৱলী সম্পূৰ্ণ নথিপত্ৰ-নিৰ্ভৰ; আনহাতে, ঐতিহাসিক উপন্যাসৰ ঘটনাৱলীত কম-বেচি পৰিমাণে কল্পনাৰ ৰঙা বোল থাকে—মাথোন ঘটনাৰ চাল-চলন ইতিহাসৰ প্ৰধান সোঁতটোৰ পৰা আতৰি নোযোৱা বিধৰ হ'ব লাগে। জীৱনীভিত্তিক উপন্যাসৰ ক্ষেত্ৰতো একেষাৰ কথাই প্ৰযোজ্য। আৰু এষাৰ কথা এইখিনিতে কৈ থ'ব পাৰি। জীৱনীভিত্তিক উপন্যাস আৰু উপন্যাসীকৃত জীৱনী একেবিধ বস্তু নহয়। শ্বেলীৰ জীৱনীসম্পৰ্কীয় আঁদ্ৰে মৰোৱাৰ 'এৰিয়েল'খন উপন্যাসীকৃত জীৱনীহে—জীৱনীভিত্তিক উপন্যাস নহয়। চিত্ৰধৰ্মী এই পুথিখনৰ সকলো কথাই শ্বেলীৰ জীৱন-যাত্ৰা সংক্ৰান্ত নথিপত্ৰৰ পৰা সংগৃহীত। বিদেশী সাহিত্যৰ তিনিখন উৎকৃষ্ট জীৱনীভিত্তিক উপন্যাসৰ নাম ক'ব পাৰি : ভিন চেণ্ট ভেন গোখৰ জীৱনকাহিনীৰ ওপৰত প্ৰতিষ্ঠিত আৰভিং ষ্টোনৰ 'লাষ্ট্ ফৰ লাইফ', পল গঁগ্যাৰ জীৱন-কাহিনীৰ আধাৰত ৰচিত চাৰ্লছ গৰহামৰ 'দ্য গ'ল্ড অৱ দেয়াৰ বডিজ' আৰু টুলোা-লুত্ৰেকৰ জীৱন-কাহিনীৰে সমৃদ্ধ পীয়েৰ লা মুৰৰ উপন্যাস 'মুলঁ্যা ৰুজ্'। আমাৰ সাহিত্যতো এইবিধ উপন্যাসৰ বিপুল প্ৰসাৰ ঘটিছে। চৈয়দ আবদুল মালিকৰ 'ৰূপতীৰ্থৰ যাত্ৰী' আৰু মেদিনী চৌধুৰীৰ